# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ভাৰতীয় ৰে'লৰেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা কাইলৈ গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে এই ৰে'লখন প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰীগৰাকীয়ে কাইলৈ তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুঁও উদ্বোধন কৰিব। তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

ooooo

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড় দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। তেওঁ আজি গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ নতুন এফ এম ট্ৰান্সমিটাৰ উদ্বোধনৰ প্ৰস্তুতি সম্পৰ্কেও সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণীৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে।

ooooo

ৰাজ্যৰ বন বিভাগে বিগত বছৰত কৰা হস্তী গণনাৰ তথ্য অনুসৰি ৰাজ্যখনত হাতীৰ সংখ্যা ৫ হাজাৰ ৮২৮লৈ বৃদ্ধি হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি বন বিভাগৰ এই কৃতিত্বৰ বাবে শলাগ লয়। তেওঁ কয়, যে পূৰ্বে হাতীৰ সংখ্যা ৫ হাজাৰ ৭১৯ আছিল। এইবাৰৰ পিয়ল অনুসৰি মুঠ হাতীৰ ৩৬ শতাংশ প্ৰাপ্তবয়স্ক মাখুন্দি বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে অসমক হস্তীৰ বাবে অনুকূল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এইক্ষেত্ৰত চলাই অহা নিৰন্তৰ প্ৰচেষ্টাক তেওঁ প্ৰশংসা কৰে।

ooooo

গুৱাহাটী মহানগৰীৰ খাৰঘূলিৰ নামঘৰ পথত আজি পুৱা পানীৰ পাইপ ফুটি বিস্তীৰ্ণ অঞ্চল আকস্মিকভাৱে জলমগ্ন হৈ পৰাৰ ফলত জনসাধাৰণ ভীষণ সমস্যাৰ সন্মুখীন হয়। বহু সময় ধৰি অঞ্চলটোৰে যাতায়াত ব্যাহত হয়। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আজি খাৰঘূলিত উপস্থিত হৈ এই ঘটনাৰ সবিশেষ বুজ লোৱাৰ লগতে ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি ভৱিষ্যত কাৰ্যপন্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বিজ্ঞানসন্মত

পদ্ধতিৰে এই ঘটনাৰ অনুসন্ধান কৰি প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে। তদুপৰি ক্ষতিগ্ৰস্তসকলক উচিত ক্ষতিপূৰণ দিবলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

ooooo

চানডুবিত কালিৰে পৰা জনগোষ্ঠীয় খাদ্য সম্ভাৰ, থলুৱা হস্ততাঁত বস্ত্ৰ আৰু বিভিন্ন খেল-ধেমালিৰে পঞ্চদশ চানডুবি মহোৎসৱ অনুষ্ঠিত হৈছে। অহা ৫ জানুৱাৰী পৰ্যন্ত চলিবলগীয়া মহোৎসৱৰ আজি দ্বিতীয় দিনাও অগণন লোকৰ সমাগম হৈছে। সদৌ ৰাভা ছাত্ৰ সন্থাৰ বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ জৰিয়তে চানডুবি বিলৰ সংৰক্ষণ আৰু এই অঞ্চলটো উল্লেখযোগ্য পৰ্যটন স্থান হিচাপে গঢ়ি তোলাৰ বাবে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। কালি ৰাভা হাচং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই মহোৎসৱৰ শুভাৰম্ভ কৰে।

ooooo

ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ নিচলামাৰী বন শিবিৰৰ অন্তৰ্গত বনাঞ্চলত আজি বন সুৰক্ষা কৰ্মীয়ে এটা মতা গঁড় মৃত অৱস্থাত উদ্ধাৰ কৰে। গঁড়টোৰ খৰ্গ অক্ষত অৱস্থাত আছে। প্ৰাৰম্ভিক পৰ্যবেক্ষণত স্বাভাৱিক কাৰণতে গঁড়টোৰ মৃত্যু হৈছে বুলি প্ৰকাশ কৰা হৈছে। গঁড়টোৰ মৃত্যুৰ প্ৰকৃত কাৰণ নিশ্চিত কৰাৰ বাবে উদ্যান কৰ্তৃপক্ষই মৃত গঁড়টোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

ooooo

নলবাৰী জিলাৰ উদ্যানশস্যৰ সৈতে জড়িত কৃষকসকলৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি ইয়াৰ সমাধান উলিওৱাৰ উদ্দেশ্যে আজি নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত এখন সভা অনুষ্ঠিত হয়। অসম উদ্যানশস্য সমিতিৰ উদ্যোগত অনুষ্ঠিত এই সভাত জিলাখনৰ উদ্যানশস্য মহাবিদ্যালয়ৰ সহযোগী ডীন, বিশিষ্ট কৃষি বিজ্ঞানী ড০ মৃদুল ডেকাই সভাপতিত্ব কৰে। উদ্যানশস্যৰ বাবে উপযোগী জলবায়ু আৰু উৰ্বৰ ভূমিৰ বাবে অসমত বিভিন্ন প্ৰকাৰৰ ফল-মূল, শাক-পাচলিকে ধৰি ঔষধী গুণসম্পন্ন গছ-গছনি প্ৰচুৰ পৰিমাণে পোৱা যায়। উদ্যানশস্যৰ উৎপাদন বৃদ্ধিৰে আত্মনিৰ্ভৰ হ'ব পৰাকৈ চৰকাৰে এই ক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে কাঠফুলা খেতি, মৌ পালন, নাৰিকল উন্নয়ন পৰিষদ আঁচনি, জৈৱিক কৃষি আদিৰ ব্যৱস্থা কৰি আহিছে। আজিৰ সভাত কৃষকসকলৰ সৈতে এই বিষয়সমূহত আলোচনা কৰা হয়। সভাত বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষকসকলক লৈ নলবাৰী জিলা উদ্যানশস্য সমিতি গঠন কৰা হয়।

ooooo

ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। বিশ্ব দবা চেম্পিয়ন ডি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মানু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰা অলিম্পিকত সোণৰ পদক বিজয়ী প্ৰবীণ কুমাৰক মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৩২গৰাকী খেলুৱৈলৈ অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। এই বঁটা প্ৰাপকসকলৰ ভিতৰত এথলীট জ্যোতি য়াৰাজী আৰু অনু ৰাণী, বক্সাৰ নিতু আৰু ছৱিটি, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং আছে। পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলীট প্ৰীতি পাল, জীৱনজী দিপ্তী, অজিত সিং আৰু শচীন খিলাড়ীলৈও অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। ক্ৰীড়া ক্ষেত্ৰৰ জীৱনজোৰা সাধনাৰ অৰ্জুন বঁটা প্ৰবীণ এথলীট ছুচা সিং আৰু প্ৰবীণ পেৰা সাঁতোৰবিদ মুৰলীকান্ত পেটকাৰলৈ আগবঢ়োৱা হৈছে। অহা ১৭ জানুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব।

ooooo

সমাপ্ত